# বিত্তীয় শিক্ষাৰ প্ৰয়োজনীয়তা

বিত্ত, ধন বা টকা-পইচাই আমাৰ মনৰ ভিতৰত সকলো ধৰণৰ আৱেগ-অনুভূতিৰ জন্ম দিয়ে। সাধাৰণতে আমি সৰুৰে পৰা শুনি আহিছো যে, টকা-পইচাই সকলো নহয় । কিন্ত মানৱী জীৱনত প্ৰতি খোজতেই টকা পইচাৰ গুৰুত্ব অধিক । আমাৰ বহু মানুহৰ মাজত যিটো কম-বেছি পৰিমাণে স্থিৰ হৈ থাকে, সেইটো হ'ল 'ভয়'। আমি ভয় কৰোঁ এইবোৰ কথা, বেছি-কম উপাৰ্জন, ধণী-দুখীয়া ইত্যাদি। আৰ্থিক ভয় আমাৰ জীয়াই থকাৰ চালিকা শক্তিত গভীৰ ভাৱে বিৰাজমান - এই কথাবোৰ তথ্য আৰু পৰিসংখ্যাৰ ফালৰ পৰা সত্য প্ৰমাণ হৈছে।

বিত্তীয় পৰিকল্পনাকাৰী হিচাপে আমি বুজি পাওঁ যে- এই আৱেগ-অনুভূতিবোৰে আমাৰ বিত্তীয় সিদ্ধান্তবোৰক কেনেদৰে প্ৰভাৱিত কৰে। সেয়েহে, বিত্তীয় পৰিকল্পনা প্ৰক্ৰিয়াৰ আৰম্ভণিতে আমি অভিজ্ঞ্য ব্যক্তিৰ লগত আলোচনা কৰাটো অতি প্ৰয়োজন । অৱশ্যে অভিজ্ঞ্য ব্যক্তি নিৰ্বাচনত সাৱধানতা অৱলম্বন কৰিব লাগে । সেই ভয় আতৰাবলৈ এজন ব্যক্তিৰ বিত্তীয় শিক্ষা বা বিত্তীয় সাক্ষৰতাৰ প্ৰয়োজন । বিত্তীয় শিক্ষা আহৰণৰ লগে লগে ব্যক্তিজনে বিত্তীয় পৰিকল্পনাৰ বাবে সক্ষম হৈ উঠিব আৰু বিত্তীয় স্বাধীনতাৰ দিশে অগ্ৰসৰ হ'ব।

বিত্তীয় স্বাধীনতাই হৈছে বিত্তীয় শিক্ষাৰ ফলাফল। আমি ক'ব বিচাৰো যে আমাৰ শিক্ষা ব্যৱস্থাত বিত্তীয় সাক্ষৰতা অতি গুৰুত্বপূৰ্ণ কাৰণ আমি ইয়াক পাহৰি যাওঁ। আমি এনে এটা দিনৰ সপোন দেখিছোঁ যেতিয়া এজন বিনিয়োগকাৰীয়ে তেওঁৰ বিত্তীয় উপদেষ্টাৰ ওচৰলৈ যোৱাৰ পূৰ্বেই বিত্তীয় শিক্ষা লাভ কৰিব। আৰ্থিকভাৱে সচেতন হোৱা মানে উপদেষ্টাজনে তেওঁৰ প্ৰশ্নবোৰ বুজি পাব আৰু নিশ্চিতভাৱে সমাধানো হ'ব ।

শেহতীয়া বিত্তীয় সাক্ষৰতা সমীক্ষাৰ কেইটামান গুৰুত্বপূৰ্ণ তথ্যঃ বিশ্বৰ 10খন আগশাৰীৰ ৰাষ্ট্ৰৰ ভিতৰত ভাৰতীয়সকল দ্বিতীয় স্থানত আছে, য'ত প্ৰাথমিক বিত্তীয় সাক্ষৰতা স্তৰ (55 শতাংশ) জাপানৰ পিছতে আছে। ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ, মেক্সিকো, নেদাৰলেণ্ড, ৰোমানিয়া, পোলেণ্ড, বেলজিয়াম, স্পেইন, কোৰিয়া আৰু জাপানকে ধৰি দহখন প্ৰধান ৰাষ্ট্ৰৰ 5,000 গ্ৰাহকৰ মাজত এই সমীক্ষা চলোৱা হৈছিল। সমীক্ষাটোৱে দেখুৱাইছে যে 84% ভাৰতীয়ই জীৱন বীমা সামগ্ৰী ক্ৰয় কৰিবলৈ পছন্দ কৰে, যিটো বিশ্বৰ 54%ৰ তুলনাত বেছি। সমগ্ৰ বিশ্বত 33%ৰ তুলনাত 87% ভাৰতীয় পৰিয়ালৰ জৰুৰীকালীন পুঁজি আছে। ভাৰতীয়সকলে কেৱল ঘৰ ( 50 শতাংশ ) বা গাড়ী ( 43 শতাংশ ) ক্ৰয় কৰাৰ ক্ষেত্ৰতহে টকা ধাৰ কৰে। ভাৰতীয়সকলে ধনৰ ক্ষেত্ৰত উন্নত হ'বলৈ ভাল পৰামৰ্শৰ উত্সৰ সন্ধানত হেৰাই যোৱাৰ প্ৰৱণতা আছে।

সামগ্ৰিকভাৱে, সমীক্ষাটোত প্ৰকাশ পাইছে যে এছিয়ানবাসী  সকল আৰ্থিকভাৱে আটাইতকৈ শিক্ষিত আৰু অধিক জানিবলৈ আগ্ৰহীও। তেওঁলোকে সক্ৰিয়ভাৱে তেওঁলোকৰ বাজেট অনুসৰণ কৰে আৰু বিত্তীয় সিদ্ধান্ত লোৱাৰ আগতে জ্ঞান আহৰণৰ অভ্যাস গঢ়ি তোলে।

মানুহ যিমানেই আৰ্থিকভাৱে শিক্ষিত হ'ব, সিমানেই সুখানুভূতিৰ অনুভৱ কৰিব। বিত্তীয় সাক্ষৰতা সময়ৰ দাবী। কিন্তু এতিয়াও  ইয়াক বেলেগ ধৰণে ব্যাখ্যা কৰা হৈছে। আমি হয়তো যেতিয়া কিবা সমস্যাৰ সৃষ্টি হয়, তেতিয়াহে শিকিবলৈ আগবাঢ়ি আহোঁ । ভাৰতীয়সকলে সাধাৰণতে তেওঁলোকৰ  কিছুমান  বিশেষ বিত্তীয় লক্ষ্যৰ বাবেহে বিনিয়োগ কৰে। সেই  বিনিয়োগ  শিশুৰ  ভৱিষ্যৎ পৰিকল্পনা, অৱসৰ জীৱনৰ আৰ্থিক সুৰক্ষা অথবা আৱাস গৃহ আদি যিকোনো ক্ষেত্ৰতেই হওক। একমাত্ৰ সমস্যাটো হ'ল ভৱিষ্যতৰ প্ৰয়োজন অনুসৰি ইয়াৰ পৰিমাণ নিৰ্ধাৰণ কৰা নহয়। যিহেতু, সৰহ সংখ্যক ব্যক্তিয়েই সুতৰ হাৰ বা মুলধনৰ দৃষ্টিগত বৃদ্ধিহে লক্ষ্য কৰে । কিন্ত মূদ্ৰাষ্ফিতিৰ হাৰৰ প্ৰতি লক্ষ্য নাথাকে । ফলত প্ৰকৃততে মুলধনৰ সঠিক বৃদ্ধি নহয় ।

বৰ্তমানো স্কুলৰ পৰা ওলাই  কলেজত নাম  ভৰ্তি কৰা  এজন  ছাত্ৰক বেংকত ছেভিংছ একাউণ্ট খুলিবলৈ দিয়ে  এইটো  নিশ্চিত যে তেওঁ সেইটো স্বাধীনভাৱে কৰিব নোৱাৰিব। তেওঁক কে  ৱাই  চি (KYC) কি বুলি সোধা হ'লে তেওঁৰ মুখত এটা শূন্যতা দেখিবলৈ পোৱা যাব। তেওঁ ডিপ'জিট শ্লিপ ভৰাব নোৱাৰিব। তেওঁ চেকখন সঠিককৈ লিখিব নোৱাৰিব। আনকি বেছিভাগ শিক্ষিত লোকেও সদায় বেংকৰ সৈতে হোৱা বিত্তীয় লেনদেনৰ পৰা আঁতৰি থাকে। ইয়াৰ পৰা প্ৰমাণ হয় যে যুৱ প্ৰজন্মৰ মাজতো বিত্তীয় সাক্ষৰতা অতি নিম্ন। ইয়াৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাক সম্পূৰ্ণৰূপে দোষাৰোপ কৰিব লাগিব।

টকা-পইচা বা বিত্তীয় লেনদেন মানৱী জীৱনৰ অবিছেদ্য অংগ । কিন্ত সৰুতে শিশুৰ টকা-পইচাৰ বিষয়ে জনাৰ কৌতুহল থাকিলেও আমাৰ সমাজত অগ্ৰজ সকলে সেইয়া  শিশুটোৰ ভৱিষ্যৎ অশুভ চিনৰহে ইঙ্গিত পাইছিল । এতিয়াও সমাজত টকা-পইচাৰ কথাই সন্তান পঢ়া-শুনাত বেয়া হয় বুলিয়েই ধাৰণা আছে। অভিভাৱক সকলে এতিয়াও বুজি উঠা নাই যে, বৰ্তমান সন্তানৰ পঢ়া-শুনাবোৰত প্ৰমাণপত্ৰ আৰু নম্বৰৰহে প্ৰতিযোগিতা , জীৱন গঢ় দি সুখ শান্তিৰে বসবাস কৰিবলৈ সন্তানৰ বিত্তীয় শিক্ষা অনিবাৰ্য । চৰকাৰেও শিশুসকলক সৰুৰে বিত্তীয় শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াটো অতি প্ৰয়োজন।

"The Financial Literates" হ'ল ভাৰতীয়সকলক বিত্তীয় সাক্ষৰ কৰাৰ  আজিও  এক সপোন আৰু অভিযানেই হৈ আছে।

পঙ্কজ ফুকন, গুৱাহাটী ৮৮২২৭৮৯১১৯

=======